এ আই ইউ ডি এফ
আৰু মৌলানা বদৰুদ্দিন আজমল

হাফিজ বছিৰ আহমেদ কাছিমী

ব্রিটিছ সাম্রাজ্যবাদৰ অৱসান ঘটাই ভাৰতবর্ষৰ স্বাধীনতা প্রাপ্তিৰ ক্ষেত্রত যিদৰে জাতি-ধর্ম-বর্ণ নির্বিশেষে সকলো শ্রেণীৰ মানুহে সংগ্রাম আৰু ত্যাগ স্বীকাৰ কৰিছিল, স্বাধীনতা লাভৰ পিছত কিন্তু সকলো শ্রেণীৰ মানুহৰ সম-বিকাশ নহ'ল। এইক্ষেত্রত বিশেষকৈ ধর্মীয় সংখ্যালঘু, চাহ জনগোষ্ঠী, আদিবাসী আদি জনগোষ্ঠীসমূহ সদায়ে বঞ্চনাৰ বলি হৈ আহিছে। তেওঁলোকে আনকি নিজৰ সাংবিধানিক অধিকাৰকণৰ পৰাও বঞ্চিত হৈ আছে। বিশেষকৈ ধর্মীয় সংখ্যালঘুসকল চৰকাৰী চাকৰি-বাকৰি, বেংকৰ ঋণকে আদি কৰি বিভিন্ন ধৰণৰ চৰকাৰী সা-সুবিধাৰ ক্ষেত্রত সদায়ে এক বৈষম্যৰ বলি হৈ আহিছে। চৰকাৰী পৃষ্ঠপোষকতাত গঠিত ড° ৰাজেন্দ্র ছাচাৰ কমিটীৰ প্রতিবেদনে যি বঞ্চনাক চৰকাৰীভাৱে স্বীকৃতি প্রদান কৰিছে।

চাহ জনগোষ্ঠীকে ধৰি অন্য কিছুমান জনগোষ্ঠী আৰু আদিবাসীসকলৰ মাজতো এনে এক কৰণ ছবি বিৰাজমান। এই সম্প্রদায় আৰু জনগোষ্ঠীসমূহৰ এনে পুতৌজনক অৱস্থা নির্মূল কৰাৰ বাবে কোনো ৰাজনৈতিক দলেই আন্তৰিকতা দেখুওৱা নাই। এই জনগোষ্ঠীবোৰৰ বিকাশ প্রতিশ্রুতি আৰু আশ্বাসতে আৱদ্ধ ৰাখি এওঁলোকক কেৱল ভোট বেংক ৰূপে ব্যৱহাৰ কৰি আহিছে। যদি কেতিয়াবা এওঁলোকে নিজৰ প্রাপ্য আৰু সাংবিধানিক অধিকাৰৰ বাবে ঐক্যবদ্ধ হৈ গণতান্ত্রিক আন্দোলন গঢ়ি তোলাৰ প্রয়াস কৰিছে, তেতিয়াই বিভাজনমুখী ৰাজনীতিৰে এওঁলোকৰ মাজত বিভাজন সৃষ্টি কৰা হৈছে।

২০০৫ চনত গোলাঘাট জিলাত এক ব্যক্তিগত কাজিয়াৰ আলম লৈ সংঘটিত হয় চিৰিং চাপৰি কাণ্ড— য'ত নামনি অসমৰ জিলাসমূহক চৰ- চাপৰিৰ পৰা বান-খহনীয়াত সর্বস্বান্ত হৈ পেটৰ তাড়নাত উজনি অসমৰ বিভিন্ন অঞ্চললৈ গৈ ৰিক্সা-ঠেলা চলাই, ৰাজমিস্ত্রী-কাঠমিস্ত্রী আদিৰ যোগালী কৰি অথবা ফেৰী কৰি পেট প্রৱর্তাই থকা, বিশেষকৈ মুছলমান সম্প্রদায়ৰ মানুহক বাংলাদেশী বুলি অভিহিত কৰি ৰাতিটোৰ ভিতৰতে পাবত গজা তথাকথিত জাতীয়তাবাদী সংগঠন চিৰিং চাপৰি যুৱ মঞ্চ আৰু একাংশ সংগঠনে বিভিন্ন হাৰাশাস্তি কৰি খেদি পঠিয়ায়। আনহাতে এনে এক দুর্ভাগ্যজনক পৰিস্থিতিৰ মাজতে ২০০৫ চনৰ ১০ মে'ত অসমৰ সংখ্যালঘুসকলৰ ৰক্ষা কবচ বুলি পৰিচিত আই এম ডি টি আইনখন ভাৰতৰ মহামান্য উচ্চতম ন্যায়ালয়ে বাতিল কৰাত অসমৰ পৰিস্থিতি অধিক জটিল আৰু অগ্নিগর্ভা হৈ পৰে। এনে এক জটিল সন্ধিক্ষণত জমিয়ত উলামাই বিশেষ তৎপৰতাৰে উদ্যোগ লৈ ২০০৫ চনৰ ২৫ মে'ৰ দিনা হাজী মুছাফিখানাত অসমৰ সংখ্যালঘু সংগঠনকেইটাক লৈ এখন সভা অনুষ্ঠিত কৰে। উক্ত সভাত অসমৰ প্রায় আটাইকেইটা সংখ্যালঘু সংগঠনৰ প্রতিনিধি অন্তর্ভুক্তিৰে ‘সংখ্যালঘু সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতি' নামেৰে এখন Co-ordination Committee গঠন কৰা হয়। সমন্বয়ৰক্ষী সমিতিখনে বিদেশী সমস্যাকে ধৰি সংখ্যালঘু সম্প্রদায়ৰ আন কেইবাটাও সমস্যাৰ সমাধানৰ বাট বিচাৰি আছু, জাতীয়তাবাদী যুৱ-ছাত্র পৰিষদ, অসম সাহিত্য সভাৰ দৰে জাতীয়তাবাদী আৰু জাতীয় সংগঠনৰ

লগত একাধিক বৈঠকত মিলিত হয়। উক্ত বৈঠকত অসমৰ শান্তি-সম্প্রীতি অটুট ৰখাৰ স্বার্থত কেইবাটাও গুৰুত্বপূর্ণ প্রস্তাৱ গ্রহণ কৰা হয়। বিদেশী সমস্যা সন্দর্ভত বিভিন্ন আলোচনাৰ অন্তত ১৯৭১ চনৰ ২৫ মার্চক ভিত্তিবর্ষ হিচাপে লৈ ইয়াৰ পিছত অহাসকলক ধর্মীয় দৃষ্টিকোণেৰে চিনাক্ত নকৰি জাতি-ধর্ম-বর্ণ-নির্বিশেষে সকলো অবৈধ নাগৰিকক বিচাৰি উলিয়াই বহিষ্কাৰ কৰিব লাগে বুলি সকলো পক্ষই মত পোষণ কৰে । তদুপৰি বিদেশী বা বাংলাদেশীৰ মাজত যাতে কোনো প্রকৃত ভাৰতীয় নাগৰিক হাৰাশাস্তিৰ সন্মুখীন নহয়, তাৰ প্রতি সতর্ক দৃষ্টি ৰখাৰ লগতে এনে হ'লে তাক যৌথভাৱে প্রতিহত কৰাৰ বাবেও সকলো পক্ষই সহমতত উপনীত হয়। ইয়াৰ উপৰি বৈঠকখনত ১৯৭১ চনৰ ২৫ মার্চক ভিত্তি হিচাপে লৈ এখন শুদ্ধ আৰু সম্পূর্ণ নাগৰিকপঞ্জী প্রস্তুত কৰা, অসমৰ বানপানী-গৰাখহনীয়াক ৰাষ্ট্রীয় সমস্যা ৰূপে গণ্য কৰি ইয়াক প্রতিৰোধ কৰা, সীমান্তত কাঁটাতাঁৰৰ বেৰ দিয়াকে আদি কৰি কেইবাটাও জ্বলন্ত সমস্যা সমাধানৰ বাবে কেন্দ্রীয় চৰকাৰৰ ওচৰত ঐক্যবদ্ধভাৱে দাবী উত্থাপন কৰে।

আছুৰ স'তে বহা উক্ত বৈঠকৰ পিছত অসমৰ সেই অগ্নিগর্ভা পৰিস্থিতি কিছু পৰিমাণে শাম কাটে যদিও আই এম ডি টি বাতিলৰ ফলত সংখ্যালঘু সম্প্রদায়ৰ মনত নিৰাপত্তাহীনতাৰ এক শংকাই গা কৰি উঠে। সম্প্রদায়টোক এনে ক্ষেত্রত এক নির্ভৰযোগ্য আৰু শক্তিশালী ৰাজনৈতিক আশ্রয়ৰ খুবেই প্রয়োজন হৈ পৰে। এনে পৰিস্থিতিত সমন্বয়ৰক্ষী সমিতিখনে অনুভৱ কৰে যে বঞ্চিত, অপমানিত আৰু অৱহেলিত এই সম্প্রদায়ৰ লগতে অসমৰ অন্যান্য বঞ্চিত আৰু অৱহেলিত জনগোষ্ঠীৰ কাষত থিয় হৈ এওঁলোকৰ স্বার্থ সুৰক্ষা আৰু অধিকাৰৰ হকে মাত মাতিবলৈ এখন নির্ভৰযোগ্য আৰু শক্তিশালী উমৈহতীয়া ৰাজনৈতিক মঞ্চৰ খুবেই প্রয়োজন। ৰাজনৈতিক মঞ্চ গঠনৰ ক্ষেত্রত অসমৰ বিভিন্ন বঞ্চিত আৰু অৱহেলিত জনগোষ্ঠীৰ সহমত আৰু সঁহাৰিয়ে সমন্বয়ৰক্ষী সমিতিৰ অনুভৱক এক সংকল্পলৈ ৰূপান্তৰিত কৰে । ইয়াৰ পৰিপ্রেক্ষিতত ২০০৫ চনৰ ২ অক্টোবৰৰ দিনা ইছলামপুৰত অনুষ্ঠিত সমন্বয়ৰক্ষী সমিতিৰ এখন সভাত বিভিন্ন সম্প্রদায় তথা জনগোষ্ঠীৰ সমভাৱাপন্ন ব্যক্তিক লৈ ঐক্য, সংহতি, শান্তি আৰু প্রগতিৰ লক্ষ্যৰে পৰিশিষ্ট- ১ত উল্লেখ কৰা উদ্দেশ্যাৱলী আগত ৰাখি এখন ৰাজনৈতিক মঞ্চ গঠনৰ সিদ্ধান্ত লোৱা হয়। উল্লেখ্য যে দল গঠনৰ চূড়ান্ত সিদ্ধান্ত লোৱাৰ পূর্বে ধুবুৰীৰ পৰা শদিয়ালৈ প্রায় ৭৮খন জনসভা পাতি সাধাৰণ ৰাইজৰ মতামত গ্রহণ কৰাৰ উপৰি অসমৰ উচ্চস্তৰৰ দুশজনতকৈও অধিক বিশিষ্ট বুদ্ধিজীৱীৰ মতামত গ্রহণ কৰা হৈছিল। সিদ্ধান্ত আৰু বুদ্ধিজীৱী মহলৰ মৰামর্শ অনুসৰি ৩ অক্টোবৰৰ দিনা সর্বভাৰতীয় জমিয়ত তদানীন্তত সভাপতি চাহাবৰ উপস্থিতিত মৌলানা বদৰুদ্দিন আজমল আল-কাছিমীক সভাপতি হিচাপে লৈ United Democratic Front (সংযুক্তি গণতান্ত্রিক মর্চা) UDF নামেৰ এখন ৰাজনৈতিক মঞ্চ গঠন কৰা হয় ।

বিশিষ্ট ধর্মনিৰপেক্ষ ভাৱাপন্ন ৰাজনীতিবিদ আৰু এই বিষয়ৰ ওপৰত ব্যুৎপত্তি থকা অভিজ্ঞ ব্যক্তিক লৈ গঠিত ৯ জনীয়া খচৰা সংবিধান প্রস্তুতি উপ-সমিতিয়ে প্রস্তুত কৰা ইউ ডি এফৰ সংবিধানখন ২০০৫ চনৰ ২২ অক্টোবৰৰ দিনা গাড়ীগাঁও মাদ্রাছাত অনুষ্ঠিত সমন্বয়ৰক্ষী সমিতিৰ অভিৱর্তনত অনুমোদিত হয়। দলৰ সংবিধানখনত বিশেষকৈ ধর্মনিৰপেক্ষতা, সম-উন্নয়ন, সম-বিকাশ

আৰু সম-অধিকাৰক গুৰুত্ব দিয়া হৈছে। তাকৰীয়া সময় আৰু পৰিস্থিতিৰ বাবে সংবিধানত দলীয় পৰিকাঠামো, অনুশাসন ব্যৱস্থা, বিষয়ববীয়াসকলৰ দায়িত্ব-কর্তব্য সম্পর্কে কোনো সুস্পষ্ট ধাৰা সন্নিৱিষ্ট কৰিব পৰা হোৱা নাছিল। সেয়ে সংবিধানখন পুনৰীক্ষণ কৰি ইয়াৰ পৰিপূর্ণ ৰূপ দিয়াৰ বাবে যোৱা ২১/১২/২০০৮ তাৰিখৰ সাধাৰণ পৰিষদৰ সভাত সংবিধানখন যদিও সংশোধন কৰা হয়, তথাপি বাস্তৱ ক্ষেত্ৰত উদ্ভৱ হোৱা কিছুমান সমস্যা সমাধানৰ বাবে সংবিধানখন আৰু কিছু সংশোধন কৰাৰ প্ৰয়োজন আছে বুলি ধাৰণা কৰা হয় ।

ইউ ডি এফৰ সংবিধানখন ৰচনাৰ সমান্তৰালভাৱে দলৰ কেন্দ্ৰীয় কার্যকৰী কমিটীখন গঠন কৰাৰ পিছত দলটোৰ পঞ্জীয়ন আৰু স্বীকৃতিৰ বাবে ভাৰতৰ নির্বাচন আয়োগৰ ওচৰত আবেদন কৰা হয়। এই আবেদনৰ ভিত্তিত ২৪ ফেব্ৰুৱাৰী/০৬ ইংৰাজী তাৰিখে পঞ্জীয়ন হয় আৰু ২০০৬ চনৰ অসম বিধানসভাৰ সাধাৰণ নির্বাচনৰ পিছত প্ৰয়োজনীয় আসন লাভ কৰি ৩০ মে'/০৬ তাৰিখে ‘অসম সংযুক্ত গণতান্ত্রিক মর্চা' (Assam United Democratic Front) নামেৰ এক ৰাজনৈতিক দল ৰূপে নির্বাচন আয়োগৰ স্বীকৃতি লাভ কৰে। পৰৱর্তী সময়ত দলৰ বর্ধিত জনপ্রিয়তা আৰু অন্যান্য ৰাজ্যৰ জনসাধাৰণৰ আহ্বানৰ প্রতি লক্ষ্য ৰাখি দলৰ কার্যসূচী আঞ্চলিকতাৰ পৰিৱর্তে ৰাষ্ট্রীয় তলে সম্প্রসাৰণ কৰাৰ উদ্দেশ্যে ২০০৮ চনৰ ২১ ডিচেম্বৰত অনুষ্ঠিত দলৰ সাধাৰণ পৰিষদৰ বৈঠকত সিদ্ধান্ত লোৱা হয়। সেই মর্মে দলটোক ৰাষ্ট্রীয় দল হিচাপে স্বীকৃতি দিবলৈ ভাৰতৰ নির্বাচন আয়োগৰ ওচৰত আবেদন কৰা হয় আৰু আয়োগেও ২০০৯ চনৰ ১২ আগষ্টত পত্র নং- 56/139/2009/JS-III/PPS-II/ 685 যোগে দলটোক সর্বভাৰতীয় সংযুক্ত গণতান্ত্রিক মর্চা (এ আই ইউ ডি এফ) নামেৰে ৰাষ্ট্রীয় দল হিচাপে স্বীকৃতি প্রদান কৰে ।

দল গঠনৰ পিছত দলৰ কার্যসূচী, নীতি, আদর্শ তথা নেতৃত্বৰ প্রতি আকর্ষিত হৈ ভাৰতৰ বিভিন্ন ৰাজ্যৰ বঞ্চিত জনগোষ্ঠীবোৰেও দলটোক তেওঁলোকৰ ৰাজ্যলৈ সম্প্রসাৰণ কৰাৰ আহ্বান জনায়। বিভিন্ন সময়ত উক্ত ৰাজ্যবোৰৰ পৰা অহা প্রতিনিধিয়ে তেওঁলোকৰ ইচ্ছাৰ কথা ব্যক্ত কৰি সভাপতি মৌলানা বদৰুদ্দিন আজমল তথা বিভিন্ন দলীয় নেতৃত্বক সাক্ষাৎ কৰি আহিছে। কিন্তু নতুন দল হিচাপে অভিজ্ঞ কর্মকর্তাৰ অভাৱৰ বাবে দলৰ কার্যসূচী অন্যান্য ৰাজ্যলৈ সম্প্রসাৰণ কৰাৰ পৰা বিৰত থকা হৈছিল যদিও ৰাষ্ট্রীয় দল হিচাপে স্বীকৃতি পোৱাৰ পিছতে জনসাধাৰণৰ আশা-আকাংক্ষাক শ্রদ্ধা জনাই অতিসম্প্রতি পশ্চিমবংগ আৰু মহাৰাষ্ট্রলৈ দলৰ কার্যসূচী সম্প্রসাৰণ কৰা হৈছে। পশ্চিমবংগত মৌলানা ছিদ্দিক-উল্লা চৌধুৰী আৰু মহাৰাষ্ট্রত ড° তৈয়ব পেটেল চাহাবক সভাপতি হিচাপে লৈ গঠন কৰা দলৰ তদর্থ সমিতিদ্বয়ে ৰাজ্য দুখনত নির্বাচনী যুঁজত অৱতীর্ণ হোৱাৰ বাবে পূর্ণোদ্যমে সাংগঠনিক কাম-কাজ চলাই থকা হৈছে। ইতিমধ্যে পঞ্চায়ত পর্যায়লৈকে সাংগঠনিক কাম চলি আছে ।

২০০৯ চনত অনুষ্ঠিত সংসদীয় নির্বাচনত দলে ৯টা সমষ্টিত প্রতিদ্বন্দ্বিতা কৰে। ইয়াৰে দলৰ সভাপতি হজৰত মৌলানা বদৰুদ্দিন আজমল চাহাবে ধুবুৰী আৰু শিলচৰ সমষ্টিত প্রতিদ্বন্দ্বিতা আগবঢ়ায়। দক্ষিণ শালমাৰাৰ তদানীন্তন বিধায়ক মৌলানা বদৰুদ্দিন আজমল চাহাবে ধুবুৰী সংসদীয় সমষ্টিৰ পৰা

৫০ শতাংশৰো অধিক ভোটত জয়লাভ কৰাৰ উপৰি কৰিমগঞ্জ আৰু শিলচৰত দ্বিতীয় আৰু নগাঁও, কলিয়াবৰ, মঙলদৈ আৰু বৰপেটাত তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয় ।

ভাৰতৰ নিৰ্বাচন আয়োগে এ আই ইউ ডি এফক ৰাষ্ট্ৰীয় দল হিচাপে স্বীকৃতি প্ৰদান কৰাৰ পিছত ২০১১ চনৰ ৪ আৰু ১১ এপ্ৰিলত দুটা পৰ্যায়ত অনুষ্ঠিত অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনত দলে মুঠ ৭৭খন আসনত প্ৰতিদ্বন্দ্বিতা কৰে। বিভিন্ন প্ৰতিকূল পৰিস্থিতি আৰু বাধাৰ মাজেৰে দলে ১৮খন আসনত জয়লাভ কৰে যদিও দলে ঈপ্সিত লক্ষ্যত উপনীত হ'ব নোৱাৰিলে । কাৰণ, দলৰ ভিতৰচ'ৰাত অন্য এক বিশেষ দলৰ এজেন্ট হিচাপে কাম কৰা তথা দুমুখীয়া নীতিৰ কিছুমান ব্যক্তি সোমাই দলটোক প্ৰথম অৱস্থাৰে পৰা দুৰ্বল কৰি তোলাৰ প্ৰয়াস কৰিছিল। ইফালে আৰ্থিক অনাটনতো আছেই এনে বিভিন্ন সমস্যা আৰু জটিলতাৰ মাজেৰেই দলটোৱে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হয় ।

নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি যুদ্ধকালীন তৎপৰতাৰে দলীয় নিৰ্বাচনী ইস্তাহাৰখন প্ৰকাশ কৰা হয়। নিৰ্বাচনী প্ৰস্তুতি চলাবলৈ পোৱা অতি কম সময়ৰ মাজতে প্ৰকাশ পোৱা দলীয় ইস্তাহাৰখনত বিভিন্ন দিশ সামৰি লোৱাৰ লগতে বিশেষভাৱে অসমৰ ভগ্নপ্ৰায় সাম্প্ৰদায়িক সম্প্ৰীতি আৰু ভাতৃত্ববোধ ৰক্ষা কৰা আৰু ঘূৰাই অনা, বঞ্চিত জনগোষ্ঠীৰ ন্যায্য স্বাৰ্থ সুৰক্ষা, দুৰ্নীতি ৰোধ, বানপানী আৰু গৰাখহনীয়া আদি বিষয়ৰ ওপৰত গুৰুত্ব দি ইয়াক কাৰ্যকৰী কৰিবলৈ সংকল্পবদ্ধ হৈ দলটোৱে নিৰ্বাচনত অৱতীৰ্ণ হয় ।

বিগত পঞ্চায়ত নিৰ্বাচনত দলটোৱে লাভ কৰা সাফল্যৰ কথা উল্লেখ কৰিব পাৰি। বিগত পঞ্চায়ত নিৰ্বাচনত সাধাৰণ ৰাইজে অধিক আন্তৰিকতাৰে এ আই ইউ ডি এফৰ পক্ষে মতদান কৰে। এ ইউ ডি এফ দলৰ শক্তিশালী ভেটি থকা নামনি আৰু মধ্য অসমৰ আগতে বৰাক উপত্যকাত দৃঢ় সংকল্প লৈ নিৰ্বাচনী যুঁজত নমা হয়। পঞ্চায়ত নিৰ্বাচনৰ বিভিন্ন পৰ্যায়ৰ প্ৰচাৰাভিযান চলি থকাৰ সময়ত নিৰ্বাচন আয়োগৰ দ্বাৰা জাৰিকৃত অধিনিয়ম এটা বিশেষ ৰাজনৈতিক দলৰ দ্বাৰা উলংঘা কৰাৰ খতিয়ান সকলোৰে জ্ঞাত। নিৰ্বাচনী বিধি-নিষেধ মাথোঁ বিৰোধী দলসমূহৰ বাবেই প্ৰযোজ্য হৈ থাকিল। অসমৰ নিৰ্বাচন আয়োগক সময়ে সময়ে আমাৰ দলৰ পৰা এই বিষয়ে অৱগত কৰাই থকা সত্ত্বেও নিৰ্বাচন আয়োগে নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰাৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। বিভিন্ন ধৰণৰ বাধা থকাৰ পিছতো এ আই ইউ ডি এফ দলৰ প্ৰতি সৰ্বসাধাৰণ ভোটাৰ ৰাইজে জনোৱা সমৰ্থন আছিল যথেষ্ট আশাব্যঞ্জক। দলত্যাগ বিৰোধী আইন পঞ্চায়তীৰাজ ব্যৱস্থাত প্ৰযোজ্য নোহোৱাৰ সুযোগ গ্ৰহণ কৰি জিলা পৰিষদকে আৰম্ভ কৰি পঞ্চায়ত নিকায়সমূহ বলপূৰ্বকভাৱে গঠন কৰাৰ নজিৰ কাৰো অজানা নহয়। তথাপি সামগ্ৰিকভাৱে ২০০৬ চনৰ বিধানসভা নিৰ্বাচনত ৯ শতাংশতকৈ অধিক ভোট লাভ কৰাৰ বিপৰীতে বিগত পঞ্চায়ত নিৰ্বাচনত প্ৰায় ১৫ শতাংশ ভোট লাভ কৰিবলৈ সক্ষম হোৱাটোৱে নেতৃত্বৰ দক্ষতা আৰু দলটোৰ জনপ্ৰিয়তা দিনক দিনে বৃদ্ধি পোৱাটোকে সূচায়। তদুপৰি আজিৰ দিনতো বিভিন্ন ঠাইত অন্যান্য দলৰ বহুতো কৰ্মীয়ে এ আই ইউ ডি এফত যোগদান কৰাৰ ধাৰা অব্যাহত আছে ।

অতি কম সময়তে ৰাইজৰ বিশেষ সঁহাৰি লাভ কৰিবলৈ সক্ষম হোৱা এ আই ইউ ডি এফৰ সক্ৰিয়তা আৰু ইয়াৰ বিধায়কসকলৰ কৰ্মতৎপৰতাই ইতিমধ্যে অসমৰ ৰাইজৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়তো বহুতো লোকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। সম্প্ৰতি লোকসভা আৰু বিধানসভাৰ মজিয়াৰ লগতে বাহিৰতো দলটোৱে এক শক্তিশালী বিৰোধীৰ ভূমিকা পালন কৰি আছে। নিৰ্বাচন আয়োগৰ পৰা

ইতিমধ্যে এ আই ইউ ডি এফে ৰাষ্ট্রীয় ৰাজনৈতিক দলৰ স্বীকৃতি লাভ কৰাৰ পিছত ইয়াৰ বিধায়কসকলৰ কর্মতৎপৰতা আৰু মানৰ সেৱাৰ মনোভাৱে এক নতুন মাত্রা লাভ কৰিছে। বিধানসভাৰ বিগত বাজেট অধিৱেশনসমূহত দলটোৱে সৰৱ ভূমিকা গ্রহণ কৰাৰ লগতে অসমৰ বঞ্চিত জনগোষ্ঠীৰ বিভিন্ন সমস্যা, দাবীসমূহ সদনৰ মজিয়াত সঠিকভাৱে উত্থাপন কৰিবলৈ সক্ষম হৈছে। তদুপৰি ইতিমধ্যে যোৱা ৭, ৮, ৯ আৰু ১০ আগষ্ট, ২০১২ত দলৰ আটাইকেইজন বিধায়কে সাংসদ মৌলানা বদৰুদ্দিন আজমল চাহাবৰ নেতৃত্বত ভাৰতৰ মহামান্য ৰাষ্ট্রপতি, প্রধানমন্ত্রী, গৃহমন্ত্রী তথা ইউ পি এৰ অধ্যক্ষা শ্রীমতী ছোনিয়া গান্ধীক সাক্ষাৎ কৰি অসমৰ বঞ্চিত জনগোষ্ঠীবোৰৰ এক বাস্তৱ কৰণ প্রতিচ্ছবি তেওঁলোকৰ সন্মুখত দাঙি ধৰে। বিশেষকৈ, সম্প্রতি বি টি এ ডিত হোৱা হিংসাত্মক ঘটনাৱলী তথ্য সহকাৰে দাঙি ধৰে আৰু চি বি আইৰ তদন্তকে আদি কৰি নিগৃহীত লোকসকলক অতি সোনকালে নিজ নিজ স্থানত পুনৰ সংস্থাপিত কৰাৰ দাবী উত্থাপন কৰে। লগতে অবৈধ অস্ত্র জব্দ কৰা আৰু দোষী ব্যক্তিসকলক উপযুক্ত শাস্তি বিহাৰো দাবী উত্থাপন কৰে। তদুপৰি উক্ত দাবীবোৰক লৈ যোৱা ৯ আগষ্ট, ২০১২ত দিল্লীৰ যন্তৰ-মন্তৰত পাঁচ সহস্রাধিক দলীয় কর্মীৰ দ্বাৰা ধর্ণা কার্যসূচীও ৰূপায়ণ কৰা হয় । উক্ত সাক্ষাৎ কালত অসমৰ পিছপৰা অঞ্চলসমূহৰ শিক্ষা, স্বাস্থ্য, গৰাখহনীয়া, বানপানী, কৃষি, যাতায়াত, বিদ্যুৎ, সীমান্ত অঞ্চল, ডাক আৰু বেংক সেৱাকে আদি কৰি প্রায় আটাইকেইটা সমস্যা দাঙি ধৰাৰ লগতে চৰাঞ্চলৰ এক সম্ভাৱনাময় উদ্যোগৰ কথাও উল্লেখ কৰা হয় । ইয়াৰ উপৰি বিভিন্ন ঠাইত এই দলে নিজাববীয়াকৈ বিভিন্ন জনকল্যাণমূলক কাম কৰি থকাৰ লগতে আর্তজনক সকলো প্রকাৰৰ সহায় কৰি আহিছে। ভৱিষ্যতেও এনে ধৰণৰ সৰৱ ভূমিকা পালন কৰাৰ বাবে এই দল সদায়ে প্রতিশ্রুতিবদ্ধ ।

নির্যাতিত আৰু নিপীড়িত সাধাৰণ মানুহক বিনামূলীয়া আইনী সাহায্য আগবঢ়োৱাৰ লক্ষ্যৰে সভাপতি মৌলানা বদুৰদ্দিন আজমল চাহাবৰ উদ্যোগত এ আই ইউ ডি এফৰ এখন কেন্দ্রীয় আইনী সাহায্য কোষ গঠন কৰা হৈছে। অধিবক্তা জেনাত মোল্লা (অধিবক্তা, গুৱাহাটী উচ্চ ন্যায়ালয় ক মুখ্য আহ্বায়ক হিচাপে লৈ কেন্দ্রীয় সমিতিয়ে এ আই ইউ ডি এফৰ প্রতিখন জিলা সমিতিৰ তত্ত্বাৱধানত জিলাভিত্তিত এখনকৈ আইনী সাহায্য কোষ গঠন কৰাৰ সিদ্ধান্ত গ্রহণ কৰিছে ।

অসম তথা উত্তৰ-পূব ভাৰতৰ বিদেশী সমস্যা এটি জ্বলন্ত সমস্যা। ইয়াৰ প্রতিকাৰৰ বাবে সকলো ৰাজনৈতিক-অৰাজনৈতিক দল-সংগঠনে একমত হৈ অসম চুক্তিৰ আধাৰত এই সমস্যাটোৰ স্থায়ী সমাধানৰ বাবে দাবী উত্থাপন কৰি আহিছে। কিন্তু পৰিতাপৰ কথা যে এই সমস্যাটো কিছু ৰাজনৈতিক দলে আওপকীয়াকৈ জীয়াই ৰাখি ৰাজনৈতিক মুনাফা লাভ কৰাৰ চেষ্টা চলাই আছে। এইক্ষেত্রত অধিক হাৰাশাস্তিৰ বলি হৈছে ধর্মীয় আৰু ভাষিক সংখ্যালঘুসকল । বিদেশী বহিষ্কাৰৰ ক্ষেত্রত কাৰো দ্বিমত নাই। কিন্তু বিদেশীৰ নামত সম্প্রতি একপক্ষীয়ভাৱে কেৱল মুছলমানসকলকে অত্যাচাৰ তথা অমানৱীয়ভাৱে অপদস্থ কৰা হৈছে। নামনি অসমৰ পৰা পেটৰ দায়ত অসম তথা উত্তৰ- পূর্বাঞ্চলৰ অন্যান্য ৰাজ্যৰ বিভিন্ন জিলালৈ কামৰ সন্ধানত যোৱা অশিক্ষিত তথা হোজা মুছলমান লোকক একমাত্র মুছলমান হোৱাৰ বাবেই বাংলাদেশীৰ নামত কোনো বাচ-বিচাৰ নকৰাকৈ বিভিন্ন দল-সংগঠনে আইন হাতত লৈ হাৰাশাস্তি কৰা পৰিলক্ষিত হৈছে। ই দেশৰ বাবে অত্যন্ত উদ্বেগজনক। দলে জাতি-ধর্ম-

ভাষা নির্বিশেষে আদালতৰ দ্বাৰা চিনাক্ত কৰি বিদেশী বহিষ্কাৰ কৰাৰ কথা দোহাৰি আহিছে। এইক্ষেত্ৰত দলে সভাপতি চাহাবৰ নেতৃত্বত ১৮জন বিধায়কে ৰাজ্যপাল তথা মুখ্যমন্ত্রী আৰু কেন্দ্রীয় চৰকাৰক সাক্ষাৎ কৰি প্রতিকাৰৰ দাবী জনাইছে। বিদেশী সমস্যাৰ স্থায়ী সমাধানৰ বাবে এখন শুদ্ধ নাগৰিকপঞ্জী প্রস্তুত কৰাৰ লগতে ন্যায়িক পদ্ধতিৰে বিদেশীক চিনাক্ত কৰি বহিষ্কাৰ কৰিব লাগিব। ইয়াৰ বাবেও আমাৰ দলে সক্রিয় পদক্ষেপ লৈছে।

অসমৰ মুঠ জনসংখ্যাৰ ৭২ শতাংশ লোক বর্তমানেও কৃষিখণ্ডৰ ওপৰত নির্ভৰশীল যদিও এই কৃষকসকলৰ গৰিষ্ঠসংখ্যকেই প্রান্তিক তথা ভূমিহীন কৃষক। প্রান্তিক, মজলীয়া কৃষকসকলৰ ভিতৰত অধিকাংশৰে নাই মাটিৰ পট্টা। ৰাজ্যখনৰ লাখ লাখ কৃষকে বর্তমানে তৌজিবাহী, খাচ মাটিত বসবাস কৰি আছে। তেওঁলোকে বার্ষিক খাজনা আদায় দি ভোগ দখলৰ অধিকাৰ পালেও ভূমিস্বত্বৰ অধিকাৰ নাপায়। একেদৰে ২০০৫ চনৰ বনভূমি অধিকাৰ আইনৰ অধীনত জনজাতীয় লোকসকলৰ দখলাধীন বনভূমিৰ মাটিৰ পট্টাও দিয়া হোৱা নাই। সেয়েহে খাচ-তৌজীবাহী ভূমি ভোগ দখল কৰি থকা লোকসকলৰ খাজনাৰ ৰচিদৰ ভিত্তিত মাটিৰ পট্টাৰ দাবীৰ আন্দোলন তীব্রতৰ কৰাৰ প্রয়োজন আছে। বনাঞ্চলৰ ভূমি দখল কৰি থকা জনজাতীয়সকলৰ ভূমি অধিকাৰ সুৰক্ষিত কৰাৰ বাবেও আন্দোলন গঢ়ি তুলিব লাগিব। চিলিং আইন কার্যকৰী কৰি চিলিং উদ্বৃত্ত মাটি ভূমিহীন কৃষকৰ মাজত বিতৰণৰ দাবীতো আন্দোলন তীব্রতৰ কৰি তুলিব লাগিব।

স্বৰাজোত্তৰ ৬৮ বছৰৰ পিছতো চৰকাৰী ভূমি নীতিৰ কুফল ভোগ কৰিব লগা হৈছে চৰাঞ্চলৰ কৃষকসকলে। অসমৰ চৰাঞ্চলত বাস কৰা ২৫ লাখতকৈ অধিক লোকৰ গড় জনমুৰি ভূমিৰ পৰিমাণ আধা বিঘাতকৈও কম। কিন্তু চৰকাৰে বাৰে বাৰে ঘোষণা কৰাৰ পিছতো চৰাঞ্চলৰ লোকক ভূমিৰ পট্টা দিয়াৰ ব্যৱস্থা নকৰিলে। বৰং যিসকল লোকৰ পূর্বতে ভূমিৰ পট্টা আছিল, তেওঁলোকৰ মাটি নদীয়ে খহাই নিয়াৰ পিছত ভূমিহীনত পৰিণত হৈছে। এবাৰ নদীভংগ ঘোষণা হোৱা মাটিত পুনৰ চৰ উঠিলেও সেই ঠাইত পুনৰ পট্টা দিয়াৰ ব্যৱস্থা নকৰাত চৰাঞ্চলৰ কৃষকসকল জটিল সমস্যাৰ সন্মুখীন হৈছে। সেয়েহে চৰাঞ্চলত ভূমিৰ পট্টা দিয়াৰ দাবীত আন্দোলন তীব্রতৰ কৰি তোলাৰ প্রয়োজন আছে।

অসমৰ বৃহৎ জনগোষ্ঠীসমূহৰ ভিতৰত চাহ জনগোষ্ঠী, আদিবাসীসকল অন্যতম। অসমৰ মুঠ জনসংখ্যাৰ ভিতৰত চাহ জনগোষ্ঠীৰ লোকৰ সংখ্যা বর্তমানে প্রায় ১৮ শতাংশ যদিও তেওঁলোকে সংবিধান প্রদত্ত প্রায় সকলোবোৰ অধিকাৰৰ পৰাই বঞ্চিত। স্বাধীনতাৰ ৬৮ বছৰৰ পিছতো চাহ জনগোষ্ঠীয় লোকৰ আর্থ-সামাজিক বিকাশৰ বাবে চৰকাৰে কোনো পদক্ষেপেই গ্রহণ কৰা নাই। বিভিন্ন ৰাজনৈতিক দলে চাহ জনগোষ্ঠীয় আদিবাসী লোকসকলক ভোটবেংক হিচাপে ব্যৱহাৰ কৰিলেও তেওঁলোকৰ আর্থ-সামাজিক, শৈক্ষিক বিকাশৰ দিশসমূহত গুৰুত্ব আৰোপ কৰা দেখা নাযায়। চাহ বাগিচাবোৰত কর্মৰত শ্রমিকসকলৰ ক্ষেত্রত আজিলৈ ন্যূনতম মজুৰি আইন কার্যকৰী কৰা হোৱা নাই। এই দুর্গতসকলৰ সমস্যাৱলী গুৰুত্ব সহকাৰে বিবেচনা কৰি তেওঁলোকৰ আর্থ-সামাজিক আৰু শৈক্ষিক বিকাশৰ বাবে পদক্ষেপ গ্রহণ কৰিবই লাগিব। শোষণ আৰু বঞ্চনাৰ শিকলিৰ পৰা এই জনগোষ্ঠীটোক

মুকলি কৰিব পাৰিলহে অসমৰ ৰাজনৈতিক আৰু সামাজিক ইতিহাসত সুদূৰ প্ৰসাৰী প্ৰভাৱ পৰাটো নিশ্চিত।

ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালামে পানীৰ বাবে অনাগত দিনত মানৱ সমাজ বৃহৎ যুদ্ধত লিপ্ত হ'ব বুলি এক তাৎপৰ্যপূৰ্ণ ভৱিষ্যদ্বাণী কৰিছিল। বৰ্তমান বিশ্বৰ পৰিস্থিতিত এনে ভৱিষ্যদ্বাণীৰ কিছু সত্যতা প্ৰতিপন্ন হৈছে। এনে এক জটিল সময়ত বৃহৎ নদীবান্ধ আৰু নদী সংযোগীকৰণ আঁচনিক কেন্দ্ৰ কৰি যথেষ্ট উদ্বেগৰ সৃষ্টি হৈছে। অসমৰ জলসম্পদৰ পূৰ্ণ আৰু প্ৰণালীবদ্ধ ব্যৱহাৰৰ যোগেদি অসমৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত যি প্ৰভূত বৰঙণি আগবঢ়াব পৰা গ'লহেঁতেন, এই কাম স্বাধীনতাৰ অত বছৰৰ পিছতো সম্পন্ন নহ'ল। সেয়েহে বিশেষজ্ঞসকলৰ মতামতৰ ভিত্তিত নামনি অঞ্চলৰ পৰ্যাপ্ত সুৰক্ষা ব্যৱস্থাৰ জৰিয়তে ক্ষুদ্ৰ আৰু মজলীয়া জলবিদ্যুৎ প্ৰকল্প স্থাপনৰ ক্ষেত্ৰত বিৰোধিতা থকাৰ যিদৰে প্ৰশ্ন থাকিব নোৱাৰে, সেইদৰে বৃহৎ নদীবান্ধ স্থাপনৰ জৰিয়তে নামনি অঞ্চলত সংহাৰযজ্ঞ চলোৱা কাৰ্যক সমৰ্থন জনোৱাৰে প্ৰশ্ন থাকিব নোৱাৰে। এইক্ষেত্ৰত বহুমুখী প্ৰকল্পৰ দিশটো সৰ্বাধিক গুৰুত্ব সহকাৰে বিবেচনা কৰাৰ প্ৰয়োজন আছে। অৱশ্যে এই সকলোবোৰ বিষয় কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত দক্ষতাসম্পন্ন বিশেষজ্ঞৰ পৰামৰ্শৰ ভিত্তিতহে হোৱা
প্ৰয়োজন।

অসমৰ বান-খহনীয়া সমস্যা সমাধানত ব্যৰ্থ কেন্দ্ৰীয় চৰকাৰে নদী সংযোগীকৰণ আঁচনিত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা দেখা গৈছে। এই আঁচনি কাৰ্যকৰী হ'লে ব্ৰহ্মপুত্ৰৰ উৎসস্থলীত ভেটা দি ব্ৰহ্মপুত্ৰৰ পানী উত্তৰ আৰু মধ্য ভাৰতলৈ বোৱাই নিয়াৰ পৰিকল্পনা কৰিছে। অসমৰ জনসাধাৰণে বানত ককবকাই থকাৰ সময়ত তেওঁলোকে এই পানী অসমৰ বাবে এৰি দি খৰালিৰ সময়তহে উক্ত জলৰাশি কাঢ়ি লৈ যাব। তেনেস্থলত অসমৰ বান-গৰাখহনীয়াৰ সমস্যা সমাধান নহয়। বৰং অসমত মৰুভূমি সদৃশ পৰিস্থিতি এটাৰহে উদ্ভৱ হ'ব। এই বিষয়ত মৌলানা বদৰুদ্দিন আজমল চাহাবে সংসদত এটা শক্তিশালী ভূমিকা পালন কৰা পৰিলক্ষিত হৈছে।

বি টি এ ডিৰ গোষ্ঠী সংঘৰ্ষই শেহতীয়াভাৱে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। ২০১২ বৰ্ষৰ ১৯ জুলাইৰ পৰা ৩০ ছেপ্টেম্বৰলৈ বি টি এ ডিৰ গোষ্ঠী সংঘৰ্ষত ১৯জন লোকৰ মৃত্যু হৈছে। চৰকাৰী হিচাপ মতেই চাৰি লক্ষাধিক লোক গৃহহীন হৈছে। কিন্তু পৰিস্থিতি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰৰ ভূমিকা অত্যন্ত নেতিবাচক। এন ডি এফ বিৰ সৈতে যুদ্ধবিৰতিত গুৰুত্ব আৰোপ কৰি বড়ো সন্ত্ৰাসবাদী গোটসমূহক অবাধ ধ্বংসযজ্ঞত উৎসাহিত কৰিছে। হাগ্ৰামা মহিলাৰী এণ্ড কোম্পানীৰ সকলো ধৰণৰ অবৈধ আৰু অনৈতিক কাৰ্যক তৰুণ গগৈ নেতৃত্বাধীন কংগ্ৰেছ-বিপিএফ চৰকাৰে বৈধতা প্ৰদান কৰি সংখ্যালঘু মুছলমানসকলক বলিৰ পঠা সজাইছে। বিটিচি চুক্তি মৰ্মে ২০০৩ চনৰ পূৰ্বে অঞ্চলটোত থকা সকলো ভাৰতীয় নাগৰিকক সুৰক্ষা দিয়াৰ দিশটো উলংঘা কৰি ভূমিহীন আৰু মাটিৰ স্বত্ববিহীন লোকসকলক বি টি এ ডিৰ পৰা বহিষ্কাৰ কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰা হৈছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে এইবোৰ বিষয় দেখিও নেদেখাৰ ভাও জুৰি সংবিধান প্ৰদত্ত অধিকাৰৰ পৰা সংখ্যালঘু মুছলমানসকলক বঞ্চিত কৰাৰ চেষ্টা অব্যাহত ৰাখিছে।

অসমত সামাজিক অস্থিৰতা সৃষ্টি কৰি সংখ্যালঘুসকলৰ অধিকাৰ হৰণৰ বাবে ধাৰাবাহিক প্ৰচেষ্টা চলাই গৈছে সাম্প্ৰদায়িক শক্তিসমূহে। ইয়াৰ বাবে এপিনে যেনেকৈ ধৰ্মৰ ভিত্তিত সকলো সাম্প্ৰদায়িক শক্তিসমূহক ঐকবদ্ধ কৰাৰ প্ৰয়াস চলিছে, সেইদৰে একেটা ধৰ্মীয় গণ্ডীৰ বাহিৰত থকা সকলো নৃ-গোষ্ঠীয় গোটসমূহক ঐক্যমঞ্চত উপৰিষ্ট কৰোৱাৰ প্ৰক্ৰিয়া অব্যাহত আছে। এই সংগঠনবোৰৰ নাইবা ধৰ্মীয় তথা নৃ-গোষ্ঠীয় গোটসমূহৰ মাজত থকা সংঘাতসমূহ কৃত্ৰিমভাৱে এৰাই চলি মুছলমান বিদ্বেষৰ নামত সকলো পক্ষক এটা মঞ্চত একগোট কৰাৰ প্ৰয়াসে অসমৰ সমাজ জীৱনৰ বাবে অতিকে ভয়াৱহ ইংগিত বহন কৰিছে। এই বিষয়টো দলে গুৰুত্ব সহকাৰে লোৱা উচিত বুলি ভাবো ।

নিৰ্বাচনোত্তৰ কালত সভাপতি মৌলানা বদৰুদ্দিন আজমলৰ নেতৃত্বত দলৰ সাংগঠনিক ভেটি আৰু অধিক সুদৃঢ় হৈছে। এক নতুন দল হিচাপে আৰু ইয়াৰ শীৰ্ষ নেতৃবৃন্দৰ প্ৰায় আটাইকেইজনেই নতুন হোৱাৰ বাবে সাধাৰণ ৰাইজ ইয়াৰ স্থিতি আৰু ভূমিকাৰ ওপৰত সন্দিহান আছিল যদিও নিৰ্বাচনৰ ফলাফল আৰু নিৰ্বাচনৰ পিছত দলে পালন কৰা সৰৱ ভূমিকাৰ পৰিপ্ৰেক্ষিতত সাধাৰণ ৰাইজে দ্ৰুতগতিৰে দলটোক আঁকোৱালি ল'বলৈ আৰম্ভ কৰে। যোৱা ২০০৬ চনৰ বিধানসভা নিৰ্বাচন, ২০০৭-০৮ চনৰ পঞ্চায়ত নিৰ্বাচন, ২০০৯ চনৰ সংসদীয় নিৰ্বাচন আৰু ২০১১ চনৰ অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন, ২০১৩ চনৰ পঞ্চায়ত নিৰ্বাচন আৰু ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ ফলাফলে সাধাৰণ মানুহৰ মনোবল দ্বিগুণে বৃদ্ধি কৰে আৰু বিভিন্ন দলৰ পৰা এ আই ইউ ডি এফত যোগদান কৰাৰ ঢল উঠে। এনে ক্ষেত্ৰত দলৰ সভাপতি চাহাবে বিগত দিনবোৰত সমগ্ৰ অসম ভ্ৰমণ কৰি জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ মানুহৰ সৈতে বৈঠকত মিলিত হৈ তেওঁলোকৰ পৰামৰ্শ গ্ৰহণ কৰে । আনহাতে, নতুন দল হোৱা হেতুকে বহু লোকৰ আন্তৰিক সমৰ্থন থকা সত্ত্বেও বিভিন্ন হাৰাশাস্তিৰ পৰা হাত সাৰিবৰ বাবে খোলাখুলিভাৱে দলত আহিবলৈ দ্বিধাবোধ কৰাও পৰিলক্ষিত হয়। যিয়েই আগবাঢ়ি আহিছিল তেওঁকেই আঁকোৱালি লৈ সাংগঠনিক কাম আৰম্ভ কৰা হয়। ফলত বহু সুবিধাবাদী লোকে দলত সোমোৱাৰ সুযোগ পায় আৰু দলৰ ভিতৰত থাকি দলৰ ক্ষতিসাধন তথা দলবিৰোধী কাৰ্যকলাপত লিপ্ত হয়। সেইসকল লোকৰ মুখা যোৱা নিৰ্বাচনবোৰত খোল খায়। দলক বিশুদ্ধিকৰণ আৰু শক্তিশালী কৰাৰ বিষয়টো সভাপতি চাহাবে বিগত দিনৰ প্ৰতিখন সভাত (কৰ্ণধাৰ, কাৰ্যকৰী, সাধাৰণ পৰিষদৰ) গুৰুত্ব সহকাৰে উত্থাপন কৰিছে আৰু পৰামৰ্শাৱলী আগবঢ়াইছে। এইক্ষেত্ৰত আমি কৰ্মীসকলেও বলিষ্ঠ ভূমিকা গ্ৰহণ কৰাৰ প্ৰয়োজন আছে ।

দলক শক্তিশালী কৰাৰ বাবে তৃণমূল পৰ্যায়ৰ পৰা গণতান্ত্ৰিক পদ্ধতিত আঞ্চলিক, ব্লক আৰু জিলা সমিতিবোৰ গঠন কৰাৰ সিদ্ধান্ত লোৱা হয়। ইতিমধ্যে যোৱা ১০/৯/২০১১ তাৰিখৰ পৰা আৰম্ভ হোৱা প্ৰাথমিক সদস্য ভৰ্তি অভিযান ইতিমধ্যে সমাপ্ত হৈছে। যোৱাবাৰৰ মুঠ প্ৰাথমিক সদস্য ৬,৬০,০০০ৰ ঠাইত এইবেলি ১১,৪৯,০০০ প্ৰাথমিক সদস্য ভৰ্তি ইতিমধ্যে হৈছে। যিটো যোৱাবাৰৰ তুলনাত প্ৰায় ৫ লাখ অধিক। তদুপৰি কেন্দ্ৰীয় পৰ্যবেক্ষকৰ উপস্থিতিত সৰ্বমুঠ ২৮খন জিলা সমিতি গঠন প্ৰক্ৰিয়া সম্পন্ন হৈছে ।

পৃথিৱীৰ যিকোনো পৰিৱৰ্তনৰ ইতিহাস চালে দেখা যায় যে ধৈর্য, সততা, একাগ্রতা আৰু সংগ্রাম অহিবনে পৰিৱৰ্তন অসম্ভৱ। সংগ্রাম সু-সংগঠিত আৰু সু-পৰিকল্পিত হ'লে সফলতা নিশ্চিতভাৱেই পোৱা যায়। এ আই ইউ ডি এফ কেৱল এটা ৰাজনৈতিক দল নহয়, ববং এক ৰাজনৈতিক সংগ্রামৰ নাম। ইন্চাফ প্রতিষ্ঠা আৰু বঞ্চিত, অৱহেলিত আৰু অপমানিতজনৰ স্বার্থ ৰক্ষা আৰু প্রাপ্য অধিকাৰ সাব্যস্ত কৰাৰ হকে সংগ্রাম কৰিবলৈয়েই এ আই ইউ ডি এফৰ জন্ম। এই সংগ্রামৰ পৰা এ আই ইউ ডি এফ কেতিয়াও বিচ্যুত নহয়। সকলো বঞ্চিত জনগোষ্ঠীৰ প্রাপ্য আৰু স্বার্থ ৰক্ষাৰ বাবে এ আই ইউ ডি এফ বদ্ধপৰিকৰ ।

অসমৰ বঞ্চিত আৰু অৱহেলিত জনতাৰ স্বার্থত এক ৰাজনৈতিক সংগ্রাম হিচাপে গঠিত এ আই ইউ ডি এফৰ জন্ম প্রক্রিয়াৰ পৰা, বিশেষকৈ দলৰ সভাপতি জোনাব মৌলানা বদৰুদ্দিন আজমল চাহাবৰ কল্পনাতীত ত্যাগ, নিষ্ঠা, একাগ্রতা, ঐকান্তিকতা আৰু নির্ভীক নেতৃত্বৰ শলাগ ল'বলগীয়া । তেখেতৰ স্বচ্ছ নেতৃত্ব আৰু নিঃস্বার্থতাৰ বাবে এই দলটোৱে কল্পনাতীত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে।

লক্ষ্য আৰু উদ্দেশ্য (Aims & Objectives) :

১। ভাৰতীয় সংবিধানৰ গণ্ডীৰ ভিতৰত থাকি আঞ্চলিক বৈষম্য **(Regional Disparities) দূৰ কৰি সকলো জনগোষ্ঠীৰ সমবিকাশ সাধন কৰা** ।

২। **বঞ্চিত, নির্যাতিত জনগণৰ সামাজিক ন্যায় (Social Justice) প্রতিষ্ঠা কৰা** ।

৩। অসমৰ সকলো জনগোষ্ঠীৰ মাজত ঐক্য, শান্তি, সম্প্রীতি বজাই ৰখা

৪। নিপীড়িত, নিষ্পেষিত জনগোষ্ঠীৰ ৰাজনৈতিক আৰু আর্থ- সামাজিক বিকাশ সাধন কৰা।

৫। ধর্মনিৰপেক্ষতা আৰু গণতান্ত্রিক আদর্শৰে সকলো কর্মপন্থা নির্ধাৰণ কৰা ।

৬। সুদক্ষ নেতৃত্বৰে সকলো ধৰণৰ দুর্নীতি, ভ্রষ্টাচাৰ, কর্মবিমুখতা দূৰ কৰি সামগ্রিকভাৱে অসমৰ উন্নতি সাধন কৰা।

৭। অসমৰ জ্বলন্ত সমস্যাৰাজি যেনে—

ক) বিদেশী নাগৰিকৰ সমস্যাৰ স্থায়ী সমাধান।

খ) বানপানী আৰু গৰাখহনীয়াৰ স্থায়ী সমাধানৰ লগতে ব্রহ্মপুত্রক নিয়ন্ত্রণ কৰা।

৮। বানপানী আৰু গৰাখহনীয়াত উদ্বাস্তু হোৱা জনসাধাৰণক (Displaced Person) পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা।

৯। অসমৰ চৰ অঞ্চলসমূহৰ ভূমিৰ জৰীপ কার্য সম্পাদন কৰি স্থায়ী পট্টাদানৰ ব্যৱস্থা কৰা।

১০। প্রশাসনিক সেৱা (Civil Service) তথা অন্যান্য চৰকাৰী চাকৰি আৰু পদোন্নতিত সংৰক্ষণ আৰু জনসংখ্যাৰ অনুপাতত প্রতিফলন ঘটোৱা।

১১। নিবনুৱা সমস্যাৰ সমাধান।

১২। মেডিকেল, ইঞ্জিনীয়াৰিং শিক্ষা (বৃত্তিমূলক আৰু কাৰিকৰি তথা প্রযুক্তিবিদ্যা)ৰ ক্ষেত্রত জনসংখ্যাৰ অনুপাতে আসন সংৰক্ষণৰ ব্যৱস্থা কৰা।

১৩। গ্রাম্য অর্থনীতিত সর্বাংগীন বিকাশৰ বাবে কৃষি, জলসিঞ্চন, পশুপালন, মীন পালন আদিৰ লগতে কুটিৰ শিল্প, ক্ষুদ্র উদ্যোগ আৰু কৃষিভিত্তিক উদ্যোগ স্থাপনত গুৰুত্ব আৰোপ কৰা।

১৪। গ্রাম্য অঞ্চলত স্বাস্থ্য সেৱা, যাতায়াত, বিজুলী, বিশুদ্ধ খোৱাপানীৰ যোগান, শিক্ষা-দীক্ষা আদিৰ ক্ষেত্রত সমবিকাশ সাধন কৰা।

১৫। সন্ত্রাসবাদ সমস্যাৰ স্থায়ী সমাধানৰ বাবে ব্যৱস্থা গ্রহণ কৰা।

১৬। গোষ্ঠীগত আৰু সাম্প্রদায়িক সংঘর্ষত ক্ষতিগ্রস্ত লোকসকলক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা।

১৭। আদিবাসী তথা চাহ জনগোষ্ঠী আৰু অন্যান্য বঞ্চিত জনগোষ্ঠীৰ সামগ্রিক বিকাশ সাধন কৰা।

১৮। শংকৰ-আজান পীৰৰ অসমত সমন্বয় আৰু সম্প্রীতিৰ এনাজৰীডাল সুদৃঢ় কৰি সকলো সম্প্রদায় আৰু জনগোষ্ঠীৰ মাজত ভাতৃত্ববোধ আৰু সংহতি অটুট ৰখা।

***

লেখক পৰিচিতি ঃ হাফিজ বছিৰ আহমেদ কাছিমী চাহাব ধুবুৰী জিলাৰ পশ্চিম বিলাসীপাৰা বিধানসভা সমষ্টিৰ বিধায়ক। তেখেত সর্বভাৰতীয় সংযুক্ত গণতান্ত্রিক মর্চা দলৰ সাধাৰণ সম্পাদক (প্রশাসনিক) পদত কার্যনির্বাহ কৰি আছে। তেখেত এগৰাকী তীক্ষ্ণ মেধাসম্পন্ন সমাজ সচেতন ব্যক্তি। ম'বাইল নং ৯৪৩৫০-২৩৫৪২